**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-03-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL BULLETIN***

**:::::::::::::::::::::::::::::::::::**

## Headlines

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালিৰে পৰা পৰম্পৰাগত ৰীতি-নীতিৰে দৌল মহোৎসৱ অনুষ্ঠিত হৈছে। ৰঙৰ উৎসৱ ফাঁকুৱা উপলক্ষে ৰাজ্যজুৰি উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। ভিন্ন ৰঙী আবিৰেৰে ৰাজ্যৰ বজাৰসমূহ ভৰি পৰাৰ সমান্তৰলাভাৱে সত্ৰ তথা মন্দিৰসমূহত দৌল উৎসৱ উলহ-মালহেৰে পালন কৰা হৈছে।

দেশৰো ভিন্ন প্ৰান্তত আজি ৰঙৰ উৎসৱ ফাকুৱা উদযাপন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফাকুৱা উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। ইফালে ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়ায়ো হোলী উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে।

মহাপুৰুষ মাধৱদেৱ স্থাপিত ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰতো কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণ দৌল মহোৎসৱ অনুষ্ঠিত হৈছে। সত্ৰখনত আজি ভৰ দেউল উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে আতাপুৰুষসকলৰ গৃহ, মঠ গৃহ আৰু গুৰু আসনৰ আগত সেৱা জনায়। দৌল গৃহত আৰোহন কৰি কলীয়া গোসাঁইৰ গাত ফাকু চতিয়াই মুখ্যমন্ত্ৰী ড০ শৰ্মাই সেৱা জনায়। তেওঁ জীৱনত এবাৰ হ'লেও বৰপেটাৰ দৌল উৎসৱ চাবলৈ ৰাইজক আহ্বান জনায়। আজিৰ দিনটোত সত্ৰখনত উপস্থিত হ'ব পৰাটো তেওঁৰ বাবে সৌভাগ্য বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীৰ লগত বৰপেটা লোকসভা সমষ্টিৰ প্ৰাথী ফণী ভূষণ চৌধুৰী, ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণী তালুকদাৰ আৰু ৰাজ্যসভাৰ সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকে। কাইলৈ বৰপেটাত সুঁৱেৰী তথা ফাঁকুৱা উদযাপন কৰা হ'ব।

বৰপেটা সত্ৰৰ সমান্তৰালকৈ ঐতিহ্যমণ্ডিত সুন্দৰীদিয়া সত্ৰ, বাৰাদি সত্ৰ, পাটবাউসী শংকৰদেৱৰ থান, বৰপেটা ৰোডৰ শাখা সত্ৰ, সৰভোগৰ মহাপ্ৰভু শ্ৰী শ্ৰী গৰখীয়া গোঁসাই থান আদিতো দৌল উৎসৱ পালনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। ইফালে, দৌল মহোৎসৱৰ সুঁৱেৰী উপলক্ষে বৰপেটা জিলা প্ৰশাসনে কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে।

কামৰূপ জিলাৰ ঐতিহ্যমণ্ডিত দৌলগোবিন্দ মন্দিৰতো সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰাৰে পাঁচদিনীয়া কাৰ্যসূচীৰে কালিৰে পৰা দৌল উৎসৱ অনুষ্ঠিত হৈছে। আজি মহাপ্ৰভুৰ নিত্য স্নান আৰু মহাপূজাৰ লগতে ধৰ্মীয় পৰম্পৰাৰে দৌলগোবিন্দ মহাপ্ৰভুক ফাঁকু দিয়া হয়।

বাক্সা জিলাৰ জেঙৰেংপাৰা দৌল মন্দিৰত কালিৰে পৰা ৫ দিনীয়াকৈ দৌল উৎসৱ আৰম্ভ হৈছে। জিলাখনত জালাহ শ্ৰীশ্ৰী বুঢ়াগোসাঁই কীৰ্তন ঘৰ সমিতিৰ উদ্যোগতো দৌল উৎসৱৰ আয়োজন কৰা হৈছে।

**কোকৰাঝাৰ** জিলাতো জনসাধাৰণৰ মাজত আজি হোলীৰ আনন্দ পৰিলক্ষিত হয়। দৌল উৎসৱ উপলক্ষে **বঙাইগাঁও** জিলাত কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰা হৈছে।

**গোৱালপাৰা** জিলাৰ ৰংজুলীৰ শ্ৰী শ্ৰী ৰামচন্দ বিগ্ৰহত ৫দিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। আজি দ্বিতীয় দিনা কলীয়া গোসাঁইক দৌলত আৰোহণ কৰোৱাৰ পাছত হোলী গীত পৰিৱেশন কৰা হয়। কাইলৈ ঊষা কীৰ্তন, পূজা, নাম-কীৰ্তন, বৰ ঢুলীয়া নৃত্য, সিধা বিতৰণ আদিৰ আয়োজন কৰা হৈছে। জিলাখনৰ শ্যামৰায় সত্ৰ, কেউলীয়া হাতী সত্ৰৰ লগতে লক্ষীপুৰ, দুধনৈ, কৃষ্ণাই, ধূপধৰা, আগিয়া, মাটিয়া আদি অঞ্চলতো দৌল উৎসৱ পালন কৰা হৈছে। উল্লেখযোগ্য যে, হোলী উপলক্ষে কাইলৈ গোৱালপাৰা জিলাতো স্থানীয় বন্ধ ঘোষণা কৰা হৈছে।

ইফালে কামৰূপ জিলাৰ শুৱালকুছিৰ শ্ৰীহাতী সত্ৰ, দক্ষিণ কামৰূপৰ আমতোলা সত্ৰৰ চতুৰ্ভুজ মন্দিৰ, ৰঙিয়াৰ পোৰাঢাপ সত্ৰ, দীপ্তেশ্বৰী দেৱালয়, নবুৰ্কা সত্ৰ, হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, তামুলপুৰ জিলাৰ পুনিয়া সত্ৰ আদিৰ লগতে কামৰূপ জিলাৰ কমলপুৰ, চাংসাৰী, বেজেৰা, আমিনগাঁও, মিৰ্জা, চমৰীয়া আদি অঞ্চলতো ধৰ্মীয় পৰম্পৰাৰে দৌল উৎসৱ পালন কৰা হৈছে।

ঐতিহ্যমণ্ডিত বটদ্ৰৱা থানতো কালিৰে পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌলযাত্ৰা মহোৎসৱ অনুষ্ঠিত হৈছে। কাইলৈ থানখনত গোঁসাই ফুৰোৱা উৎসৱৰ আয়োজন কৰা হৈছে।

০০০০০

লখিমপুৰ লোকসভা সমষ্টিৰ বাবে কংগ্ৰেছে প্ৰাৰ্থী ঘোষণা কৰাৰ পাছতেই নাওবৈচাৰ বিধায়ক ভৰত নৰহে দলৰ পৰা পদত্যাগ কৰিছে। বিধায়কগৰাকীয়ে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে ভৰত নৰহৰ পত্নী তথা প্ৰাক্তন সাংসদ ৰাণী নৰহ লখিমপুৰ লোকসভা সমষ্টিৰ কংগ্ৰেছৰ অন্যতম প্ৰাৰ্থীত্বৰ দাবীদাৰ আছিল। ৰাণী নৰহৰ পৰিৱৰ্তে কংগ্ৰেছে উদয় শংকৰ হাজৰিকাক এই সমষ্টিৰ পৰা প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। আনহাতে যোৱাবৰ্ষৰ ডিচেম্বৰ মাহত প্ৰদেশ কংগ্ৰেছৰ সম্পাদকৰ দলীয় বিষয়বাবৰ পৰা পদত্যাগ কৰা তিতাবৰৰ যুৱ নেতা ৰাতুল কুৰ্মীয়ে নিজৰ পদত্যাগ পত্ৰ প্ৰত্যাহাৰ কৰে।

০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতেই ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পাইছে। প্ৰথম পৰ্যায়ত হ'বলগীয়া ৰাজ্যৰ চাৰিটা সমষ্টিৰ নিৰ্বাচনৰ বাবে কংগ্ৰেছ তথা বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই প্ৰাৰ্থীসকলক সংগ দিব। তেওঁ অহা ২৬ মাৰ্চত যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়ে মনোনয়ন দাখিলৰ সময়ত উপস্থিত থাকিব। সেই দিনাই দুপৰীয়া কাজিৰঙা লোকসভা সমষ্টিৰ প্ৰাৰ্থী ৰ'জলীনা তিৰ্কীয়েও মনোনয়ন দাখিল কৰিব। প্ৰাৰ্থীগৰাকীৰ মনোনয়ন দাখিলৰ সময়তো সভাপতিগৰাকী উপস্থিত থাকিব। লখিমপুৰৰ প্ৰাৰ্থী উদয় শংকৰ হাজৰিকাই ২৭ মাৰ্চত মনোনয়ন দাখিলৰ সময়তো সভাপতি গৰাকী উপস্থিত থাকিব। আনহাতে ২৮ মাৰ্চত তেওঁ ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী লুৰীণ জ্যোতি গগৈক মনোনয়ন দাখিলৰ সময়ত সংগ দিয়াৰ লগতে ৫ খনকৈ নিৰ্বাচনী সভাত অংশ ল'ব।

০০০০০

ঃসমাপ্তঃ